# জাননী

ইয়াৰ দ্বাৰা নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ সমূহ বিভাগীয় প্ৰতিনিধিক জনোৱা হয় যে ৬৫ সংখ্যক মহাবিদ্যালয় সপ্তাহ ২ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হ'ব। সমূহ বিভাগলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক অভিবাদনৰ লগতে শুভেচ্ছা জ্ঞাপন কৰিলো। অনুষ্ঠিত হ'বলগীয়া সপ্তাহজোৰা কাৰ্যসূচীত কিছুমান নিয়ম সন্নিৱিষ্ট কৰা হৈছে —

(ক) বিভাগসমূহে দলীয় প্ৰতিযোগিতাৰ অনুশীলন ২৮ জানুৱাৰীৰ পৰা আবেলি ৩ বজাত কৰিব পাৰিব।

(খ) কোনো বিভাগে ৫ বজাৰ পাছত যদি অনুশীলন কৰে তেনেহ'লে বিভাগৰ অধ্যাপক উপস্থিত থকাটো বাধ্যতামূলক। আৰু উপস্থিত অধ্যাপকে অধ্যক্ষ মহোদয়ক অৱগত কৰোৱাটো বাধ্যতামূলক।

(গ) পৰিষ্কাৰ-পৰিচ্ছন্নতাত গুৰুত্ব দিয়া।

(ঘ) নিয়মাৱলীসমূহ যি দলে উলংঘা কৰে সেই বিভাগ/ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বিহীত ব্যৱস্থা ল'বলৈ এখন কমিটী থাকিব আৰু কমিটীৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

প্ৰৱাল চাংমাই
সভাপতি
ছাত্ৰ একতা সভা

ড° বিমান চন্দ্ৰ চেতিয়া
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ
(স্বায়ত্তশাসিত)

**Principal**
North Lakhimpur College
(Autonomous)
Lakhimpur, Assam

# মহাবিদ্যালয় সপ্তাহ ২০১৯

## শ্ৰেষ্ঠ বিভাগ নিৰ্বাচনৰ নিয়মাৱলী

আগন্তুক ৬৫তম মহাবিদ্যালয় সপ্তাহত সপ্তম্বাৰৰ বাবে শ্ৰেষ্ঠ বিভাগক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰা হৈছে। শ্ৰেষ্ঠতা নিৰূপনৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকে কিছুমান নিয়ম নিৰ্ধাৰণ কৰিছে। সেইসমূহৰ ভিত্তিতেই ফলাফল ঘোষিত হ'ব। অতিৰিক্ত নিয়ম সংযোজন আৰু বৰ্তমানৰ নিয়ম পুনৰীক্ষণ কৰাৰ ক্ষমতা ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকৰ থাকিব।

নিয়মসমূহ ঃ

১. মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগক একোটা দল হিচাপে ধৰা হ'ব।

২. এইবাৰৰপৰা উচ্চতৰ মাধ্যমিক দুয়োটা বৰ্ষকে দুটা দল হিচাপে ধৰা হ'ব। উচ্চতৰ মাধ্যমিকৰ কোনো ছাত্ৰ-ছাত্ৰীয়ে কোনো বিভাগত অংশ ল'ব নোৱাৰিব।

৩. বাধ্যতামুলকভাৱে প্ৰত্যেকটো বিভাগে অংশগ্ৰহণ কৰিব লগা দলীয় প্ৰতিযোগিতাসমূহ হ'ল (ক) মাৰ্চ-পাষ্ট আৰু (খ) সাংস্কৃতিক শোভাযাত্ৰা। এইকেইটা প্ৰতিযোগিতাত অংশ নল'লে সংশ্লিষ্ট বিভাগক শ্ৰেষ্ঠতাৰ প্ৰতিযোগিতাৰপৰা বাদ দিয়া হ'ব।

৪. শ্ৰেষ্ঠতাৰ ক্ষেত্ৰত পইণ্ট থকা দলীয় প্ৰতিযোগিতাসমূহ হ'ল ঃ (১) মাৰ্চ-পাষ্ট, (২) সাংস্কৃতিক শোভাযাত্ৰা, (৩) প্ৰাচীৰ পত্ৰিকা, (৪) সমাজ সেৱা, (৫) বিহু (৬) নাটক, (৭) দলীয় লোকগীত, (৮) ৰছী টনা, (৯) ক্ৰিকেট, (১০) ভলীবল, (১১) ফুটবল, (১২) কাবাডী, (১৩) অন্তাক্ষৰী আৰু (১৪) দলীয় আলোচনা।
(ইয়াৰে কোনো কোনো প্ৰতিযোগিতা অনুষ্ঠিত নহ'বও পাৰে। কিন্তু ইয়াতকৈ অধিক দলীয় প্ৰতিযোগিতা কোনো বিভাগে অনুষ্ঠিত কৰিব নোৱাৰিব। দলীয় প্ৰতিযোগিতাৰ সকলো সদস্য সংশ্লিষ্ট বিভাগৰপৰাই হ'ব লাগিব।)

৫. দলীয় প্ৰতিযোগিতাৰ বিচাৰকসকলক মহাবিদ্যালয়ৰ বাহিৰৰপৰা নিমন্ত্ৰণ কৰিবলৈ সকলো বিভাগকে আহ্বান জনোৱা হৈছে।

৬. দল হিচাপে স্বীকৃত হ'বলৈ হ'লে কমেও পাঁচজন সদস্য থাকিবই লাগিব। তাতকৈ কম হ'লে দল হিচাপে ধৰা নহ'ব।

৭. শ্ৰেষ্ঠ লেখক, শ্ৰেষ্ঠ গায়ক, শ্ৰেষ্ঠ খেলুৱৈ আদি বঁটাৰ বাবে কোনো পইণ্ট নাথাকে। (নাটকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।)

৮. দুজন বা তিনিজনীয়া দল (যেনে বেডমিণ্টন, কেৰম, কুইজ আদি)-ৰ ক্ষেত্ৰত ৯ নম্বৰ নিয়মত দিয়া দলসমূহৰ দৰে পইণ্ট নিদি একক প্ৰতিযোগীৰ সমান পইণ্ট দিয়া হ'ব। প্ৰতিযোগীকেইজন সুকীয়া বিভাগৰ হ'লে সেই পইণ্ট ভগাই ল'ব লাগিব। যেনে প্ৰথম পুৰস্কাৰ লাভ কৰি ১০ নম্বৰ পালে দুজনৰ মাজত ৫ আৰু ৫ কৈ পইণ্ট ভগাব লাগিব।

৯. প্ৰতিযোগিতাত পইণ্টসমূহ এনেকৈ দিয়া হ'বঃ

দলীয় ঃ
প্ৰথম পুৰস্কাৰ - ২০ পইণ্ট
দ্বিতীয় পুৰস্কাৰ - ১৫ পইণ্ট
তৃতীয় পুৰস্কাৰ - ১০ পইণ্ট।

একক ঃ
প্ৰথম পুৰস্কাৰ - ১০ পইণ্ট
দ্বিতীয় পুৰস্কাৰ - ৭ পইণ্ট
তৃতীয় পুৰস্কাৰ - ৫ পইণ্ট।

১০. নিয়মানুবৰ্তিতা বৰ্তাই ৰখাটো প্ৰত্যেক দলৰে কৰ্তব্য। শেষ পৰ্যায়লৈকে এই দিশত চকু ৰখা হ'ব। অনিয়মানুবৰ্তী দল শ্ৰেষ্ঠতাৰপৰা বঞ্চিত হ'ব লগাও হ'ব পাৰে।

১১. মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ ফলাফল সাংস্কৃতিক শোভাযাত্ৰা সমাপ্ত হোৱাৰ পাছত ঘোষণা কৰা হ'ব। প্ৰত্যেক বিভাগৰ মাৰ্চ-পাষ্টৰ দলে সাংস্কৃতিক শোভাযাত্ৰাত অংশ ল'ব লাগিব। দলসমূহে বিভাগৰ পৰিচয় হিচাপে মাৰ্চ-পাষ্টত লোৱা পতাকা নিব লাগিব। নিজৰ মাৰ্চ-পাষ্টৰ দলৰ ঠিক পাছতে সাংস্কৃতিক দলে শোভাযাত্ৰাত ঠাই ল'ব। শোভাযাত্ৰাত কোনো যান্ত্ৰিক বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

১২. মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত কোন দলৰ স্থান ক'ত হ'ব সেয়া লটাৰীযোগে ঠিক কৰা হ'ব। শোভাযাত্ৰাও সেই মতেই হ'ব। মাৰ্চ-পাষ্ট তথা উদ্বোধনী সভাৰ অনুষ্ঠান শেষ হোৱাৰ ঠিক আধা ঘণ্টাৰ পাছত শোভাযাত্ৰা আৰম্ভ হ'ব।

22.1.19

ড° বিমান চন্দ্ৰ চেতিয়া
অধ্যক্ষ
নৰ্থ লখিমপুৰ মহাবিদ্যালয়
*Principal*
North Lakhimpur College
(Autonomous)
Lakhimpur, Assam

প্ৰবাল চাংমাই
সভাপতি
ছাত্ৰ একতা সভা

NORTH LAKHIMPUR COLLEGE (AUTONOMOUS) ESTD.- 1952 LAKHIMPUR, ASSAM